# Press statement on the release of the seven Indian nationals in Libya

October 12, 2020

# লিবিয়াত সাতগৰাকী ভাৰতীয় নাগৰিকৰ মুক্তিক লৈ প্ৰেছ বিজ্ঞপ্তি

অক্টোবৰ  12, 2020

আমি আপোনালোকক জনাবলৈ পাই সুখী যে 14 ছেপ্তেম্বৰত লিবিয়াৰ আশ্বেৰিফত অপহৃত হোৱা সাতগৰাকী ভাৰতীয় নাগৰিক অৱশেষত যোৱা কালি (11 অক্টোবৰ)ৰ দিনা মুক্তি দিয়া হৈছে। টুনিছিয়াত থকা আমাৰ ৰাষ্ট্ৰদূত শ্ৰী পুনিত ৰয় কুণ্ডালে অপহৰণকাৰীৰ দ্বাৰা কোম্পানী অল শৌলা অল মুদিয়াৰ হাতত তেওঁলোকক গতাই দিয়াৰ পিছত তেওঁলোকৰ সৈতে টেলিফোন যোগে কথা পাতে। তেওঁলোক সকলোৰে স্বাস্থ্য সুকলমে আছে আৰু বৰ্তমান ব্ৰিগাৰ কোম্পানী চৌহদত আছে। আমি তেওঁলোকে ভাৰতলৈ উভতি অহাৰ কাৰণে প্ৰয়োজনীয় অনুষ্ঠানিকতা সম্পন্ন কৰাৰ চেষ্টা কৰি আছো।

আমি লিবিয়াৰ অধিকাৰীসকল আৰু এই অঞ্চলৰ জনগোষ্ঠীয় প্ৰবীণসকলে আমাৰ নাগৰিকসকলক মুকলি কৰাৰ ক্ষেত্ৰত আগবঢ়োৱা সহযোগিতাৰ বাবে তেখেতসকললৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো। আমাৰ লিবিয়াৰ ৰাষ্টৰদূত আৰু আৰু আমাৰ স্থানীয় কনচ্যুলাৰ ষ্টাফ উভয়ে সংকটৰ সময়ত তেওঁলোক আৰু কোম্পানীৰ সৈতে নিয়মিত যোগাযোগ ৰাখিছে।

মন্ত্ৰণালয়ে পুনৰাই ব্যক্ত কৰিছে যে সুৰক্ষাৰ প্ৰতি নজৰ ৰাখি 2016 বৰ্ষৰ মে’ মাহৰ পিছৰ পৰা লিবিয়ালৈ ভাৰতীয় নাগৰিকসকলৰ ভ্ৰমণ সম্পূৰ্ণৰূপে নিষিদ্ধ কৰা হৈছে।

**নতুন দিল্লী**
**অক্টোবৰ12, 2020**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA’s website and may be referred to as the official press release.